মেঘালয় ষ্টেট ইলেক্ট্ৰিচিটি বৰ্ড এণ্ড অন্যান্য

বনাম

থুলেশ্বৰ বৰবৰুৱা এণ্ড অন্যান্য

২০০৬চনৰ ২৪নৱেম্বৰ

[ন্যায়াধীশ এছ. বি. সিনহা আৰু ন্যায়াধীশ মাৰ্কাণ্ডে কাটজু]

*সেৱা আইনঃ*

*মেঘালয় ৰাজ্যিক বিদ্যুৎ পৰিষদ (সেৱা) নিয়মাৱলী, ১৯৯৬:*

*নিয়মাৱলী' ৩৭(৩)- পদোন্নতি- পদোন্নতিৰ প্ৰস্তাৱৰ আদেশক এই ভিত্তিত প্ৰত্যাহ্বান জনোৱা হৈছিল যে, পূৰ্বৰ বছৰত যেতিয়া লেখ আবেদনকাৰীসকল যোগ্য হৈছিল, তেতিয়া ডি. পি. চি. আহ্বান কৰা হোৱা নাছিল- উপস্থাপন কৰে, কেৱল প্ৰতি বছৰে ডি. পি. চি. আহ্বান কৰাৰ ব্যৱস্থা থকাৰ বাবেই ইয়াৰ অৰ্থ এইটো নহয় যে, কোনো খালী ঠাই উদ্ভৱ হৈছিল নে নাই সেই তথ্য নিৰ্বিশেষে ডি. পি. চি. আহ্বান কৰাৰ প্ৰয়োজনীয়তা আছিল।*

উত্তৰদাতাসকলে অসম বিদ্যুৎ পৰিষদৰ সেৱাত যোগদান কৰিছিল। ১৯৭৫চনত তেওঁলোকক আপীলকাৰী-বোৰ্ডৰ সৈতে স্থাপন কৰা হৈছিল। আপীলকাৰীয়ে মেঘালয় ৰাজ্যিক বিদ্যুৎ পৰিষদ (সেৱা) নিয়মাৱলী, ১৯৯৬ প্ৰস্তুত কৰিছিল। সময়ে সময়ে সংশোধিত নিয়মাৱলী ৩৭(৩)ত উল্লেখ কৰা হৈছে যে, খালী পদৰ সংখ্যাৰ তিনিগুণৰ সমান যোগ্য আৰু অৰ্হতাসম্পন্ন কৰ্মচাৰীৰ তালিকা প্ৰস্তুত কৰা হ'ব আৰু লগতে বৰ্তমানৰ খালী পদসমূহৰ ভিতৰত আৰু এটা বছৰৰ ৩১ডিচেম্বৰলৈকে উদ্ভৱ হ'ব বুলি অনুমান কৰা খালী পদসমূহৰ তালিকা প্ৰস্তুত কৰা হ'ব। ২০০২বৰ্ষৰ এক্সিকিউটিভ ইঞ্জিনিয়াৰসকলৰ ১০টা খালী পদ পূৰণ কৰাৰ বাবে উত্তৰদাতাসকলকে ধৰি সকলো ২৮জন প্ৰাৰ্থী বিবেচনাৰ বাবে যোগ্য আৰু অৰ্হতাসম্পন্ন বুলি প্ৰমাণিত হৈছিল। অৱশেষত বিভাগীয় পদোন্নতি সমিতিৰ পৰামৰ্শৰ ভিত্তিত ১৫-০১-২০০৩ত পদোন্নতিৰ আদেশ জাৰি কৰা হৈছিল। সহকাৰী কাৰ্যবাহী অভিযন্তাৰ পদত অধিষ্ঠিত ১ৰ পৰা ৩নং উত্তৰদাতাই

সকলে, লগতে যাৰ নাম পদোন্নতিৰ ক্ৰমত স্থান পোৱা নাছিল, তেওঁলোকে এখন লেখ আবেদন দাখিল কৰিছিল। উচ্চ ন্যায়ালয়ৰ একক ন্যায়াধীশগৰাকীয়ে লেখ আবেদনখন নাকচ কৰি কয়- পদোন্নতিৰ আদেশ ২০০০-২০০১ বৰ্ষত কোনো ডি.পি.চি. অনুষ্ঠিত হোৱা নাছিল বাবেই বিকৃত নহয়, কিয়নো খালী পদ কেৱল ২০০২চনত উদ্ভৱ হৈছিল। অৱশ্যে, খণ্ড বিচাৰপীঠে উত্তৰদাতাসকলৰ আবেদন গ্ৰহণ কৰিছিল। ক্ষুব্ধ হৈ পৰিষদে বৰ্তমানৰ আপীল দাখিল কৰিছিল।

আপীলৰ অনুমতি দি আদালতে,

উপস্থাপন কৰে- ১.১ নিৰ্বাচিত হোৱা প্ৰাৰ্থীসকলৰ জ্যেষ্ঠতা তালিকাৰ সৈতে উত্তৰদাতাসকলৰ জ্যেষ্ঠতা তালিকাৰ কোনো বিবাদ নাই। তদুপৰি এইটো বিতৰ্কৰ বিষয় নহয় যে ডি.পি.চি.-ৰ দ্বাৰা বিবেচনা কৰা ২৮জন প্ৰাৰ্থীৰ সকলোৱেই যোগ্য আছিল। তেওঁলোকে ১৯৯৮চনত নিয়মাৱলীত উল্লেখ কৰা অনুসৰি ন্যূনতম যোগ্যতাৰ মাপকাঠি লাভ কৰিছিল। একক ন্যায়াধীশগৰাকীয়ে এক সিদ্ধান্তত উপনীত হৈছিল যে, ২০০২চনত খালী পদৰ সৃষ্টি হৈছিল। যদি ২০০২চনত খালী পদৰ সৃষ্টি হৈছিল, তেন্তে কেৱল সেই বছৰতে ডি.পি.চি.-ক পুনৰ সংগঠিত কৰাৰ প্ৰয়োজন আছিল। কেৱল প্ৰতি বছৰে এটা বিভাগীয় পদোন্নতি সমিতি আহ্বান কৰাৰ ব্যৱস্থা থকাৰ বাবেই, ইয়াৰ অৰ্থ এইটো নহয় যে কোনো খালী পদ সৃষ্টি হৈছিল নে নাই সেই তথ্য নিৰ্বিশেষে ইয়াক আহ্বান কৰাৰ প্ৰয়োজন আছিল।

১.২ এইকথা হ'ব পাৰে যে, বিদ্যমান নিয়মাৱলীৰ ক্ষেত্ৰত এখন পেনেল গঠন কৰাৰ প্ৰয়োজন আছিল, কিন্তু ২০০০চনত কোনো খালী ঠাই নোহোৱাৰ বাবে তাৎক্ষণিক ক্ষেত্ৰত সেইটো প্ৰযোজ্য নহ'ব। উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে একক ন্যায়াধীশৰ ৰায়দানত হস্তক্ষেপ কৰিব নোৱাৰিলেহেঁতেন, এই সিদ্ধান্তত উপনীত নোহোৱাকৈ যে খালী পদবোৰ সৃষ্টি হোৱা বছৰৰ সন্দৰ্ভত একক ন্যায়াধীশৰ দ্বাৰা পোৱা তথ্যৰ সিদ্ধান্ত ভুল আছিল। বিচাৰাধীন ৰায়টো বহন কৰিব নোৱাৰি, যিটো সেই অনুসৰি আঁতৰাই ৰখা হয়। [৫১২-এইচ; ৫১৩-এ, বি]

দেৱানী আপীলীয় ক্ষেত্ৰাধিকাৰ- ২০০৬চনৰ ৫১৮২নং দেৱানী আপীল।

২০০৫চনৰ ডব্লিউ. এ. নং ৬(এছ. এইচ.)ত গৌহাটী উচ্চ ন্যায়ালয়ৰ শ্বিলং পীঠৰ ১৯-০৫-২০০৫তাৰিখৰ ৰায় আৰু আদেশৰ পৰা।

আবেদনকাৰীৰপক্ষত পি. কে. গোস্বামী, ৰাজীৱ মেহতা, বি. আগৰৱাল আৰু এ. হেনৰী।

আদালতৰ ৰায় প্ৰদান কৰিছিল-

ন্যায়াধীশ এছ. বি. সিনহা, অনুমতি মঞ্জুৰ কৰা হয়।

ইয়াত উত্তৰদাতাসকলে অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ (পৰিষদ)ৰ সেৱাত যোগদান কৰিছিল। তেওঁলোকৰ সেৱাৰ নিয়ম আৰু চৰ্তসমূহ বিদ্যুৎ (যোগান) আইন, ১৯৪৮ (সংক্ষেপে '১৯৪৮ আইন')ৰ অধীনত প্ৰস্তুত কৰা নিয়মাৱলীৰ দ্বাৰা পৰিচালিত হৈছিল, যাক অসম ৰাজ্যিক 'ইটেক্ট্ৰিচিটি ব'ৰ্ড সাধাৰণ নিয়মাৱলী, ১৯৬০ (সংক্ষেপে '১৯৬০ নিয়মাৱলী') আৰু অসম ৰাজ্যিক বিদ্যুৎ ব'ৰ্ড অভিযান্ত্ৰিক সেৱা নিয়মাৱলী, ১৯৭৩ (সংক্ষেপে '১৯৭৩ নিয়মাৱলী') বুলি জনা যায়। ১৯৬০চনৰ নিয়মাৱলীৰ ৪নং নিয়মাৱলীয়ে ব'ৰ্ডক ইয়াৰ কৰ্মচাৰীসকলৰ সেৱাৰ ৰেকৰ্ড কেনেদৰে বজাই ৰাখিব লাগে সেই পদ্ধতি নিৰ্ধাৰণ কৰিবলৈ ক্ষমতা প্ৰদান কৰিছিল, য'ত এ.চি.আৰ.ৰ বিন্যাস আৰু সম্পৰ্কিত নিৰ্দেশনা নিৰ্ধাৰণ কৰা হৈছিল। পৰিষদে পুৰণি পৰিষদৰ বৰ্তমানৰ নিয়ম, নিয়মাৱলী, আদেশ আৰু প্ৰক্ৰিয়া গ্ৰহণ কৰিছিল। অৱশ্যে, ২২-০১-১৯৭৫ বা তাৰ আশে-পাশে মেঘালয় চৰকাৰে ১৯৪৮চনৰ আইনৰ ৫নং ধাৰাৰ অধীনত ইয়াক প্ৰদান কৰা ক্ষমতা ব্যৱহাৰ কৰি আপীলীয় পৰিষদ গঠন কৰিছিল, যাৰ পিছত ইয়াত উত্তৰদাতাসকলক অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে আপীলকাৰীৰ সৈতে স্থাপন কৰিছিল। অৱশ্যে, ১৯৭৩চনৰ নিয়মাৱলী ১৯৮৪চনত সংশোধন কৰা হৈছিল, য'ত উত্তৰদাতাসকলক সহকাৰী অভিযন্তা পদলৈ পদোন্নতি দিয়া হৈছিল। ০৭-০১-১৯৮৭ আৰু ১৪-০১-১৯৯২ ভিতৰত উত্তৰদাতা নং ১-ৰ পৰা ৮-লৈ সহকাৰী কাৰ্যবাহী অভিযন্তা (অসামৰিক) পদলৈ পদোন্নতি দিয়া হৈছিল। ১৯-০৪-১৯৯৬ত পৰিষদে উত্তৰদাতা নং ৪ৰ পৰা ৬লৈ কাৰ্যবাহী অভিযন্তা পদলৈ পদোন্নতিৰ পৰামৰ্শ দিছিল। সহকাৰী কাৰ্যবাহী অভিযন্তাৰ আন্তঃ জ্যেষ্ঠতা তালিকাত, ১৮-০৬-১৯৯৭ বা তাৰ আশে-পাশে প্ৰকাশিত হৈছিল। আপীলকাৰী

পৰিষদে ১৪-০৮-১৯৯৭ত নিজাকৈ নিয়মাৱলী প্ৰস্তুত কৰিছিল; নিয়মাৱলী ৩৭-ত পদোন্নতিৰ বাবে যোগ্যতাৰ ব্যৱস্থা কৰা হৈছে। নিয়মাৱলী ৩৭ৰ উপ-নিয়মাৱলী(৩) তলত উল্লেখ কৰা ধৰণৰঃ

> "(৩) প্ৰতি বছৰে ৩১ডিচেম্বৰলৈকে উদ্ভৱ হোৱা বিদ্যমান আৰু আনুমানিক দুই প্ৰকাৰৰ খালী পদৰ সংখ্যাৰ সমান সকলো যোগ্য আৰু অৰ্হতাসম্পন্ন কৰ্মচাৰী প্ৰতি বছৰে ছেপ্টেম্বৰৰ পৰা ডিচেম্বৰৰ সময়ত সাজু কৰিব লাগিব।"

উক্ত নিয়মাৱলী সংশোধন কৰা হৈছিল, য'ত এই কথা উল্লেখ কৰা হৈছিল যে, বছৰৰ ছেপ্টেম্বৰৰ পৰা ডিচেম্বৰলৈকে বৰ্তমানৰ খালী পদৰ সংখ্যাৰ তিনিগুণ আৰু বছৰৰ ৩১ ডিচেম্বৰলৈকে উদ্ভৱ হ'ব বুলি অনুমান কৰা দুয়োটা খালী পদৰ সমান যোগ্য আৰু অৰ্হতাসম্পন্ন কৰ্মচাৰীৰ তালিকা প্ৰস্তুত কৰা হ'ব। ১৯৯৮চনৰ ২০নৱেম্বৰত জাৰি কৰা এক স্মাৰক পত্ৰৰ জৰিয়তে চলিত বৰ্ষৰ ১এপ্ৰিলৰ পূৰ্বে বিভিন্ন গ্ৰেড/কেডাৰলৈ পদোন্নতিৰ বাবে যোগ্যতাৰ মাপকাঠি নিৰ্ধাৰণৰ কাট-অফ তাৰিখ নিৰ্ধাৰণ কৰা হৈছিল। ১৯৯৯চনৰ ১২নৱেম্বৰত পৰৱৰ্তী সংশোধনী কৰা হৈছিল, য'ত যোগ্যতা-জ্যেষ্ঠতা নিয়মৰ ভিত্তিত পদোন্নতি প্ৰভাৱিত হ'ব পৰা শ্ৰেণীসমূহৰ ব্যৱস্থা কৰা হৈছিল, যি হৈছে নিম্নলিখিত চৰ্তসমূহঃ

> "১. ডি.পি.চি.-য়ে প্ৰাথমিকভাৱে নিয়মাৱলী ৩৭(৩)-ত উল্লেখ কৰা তালিকাত থকা প্ৰতিজন প্ৰাৰ্থীৰ ক্ষেত্ৰত শেহতীয়া ৫(পাঁচ) বছৰৰ এ.পি.এ.আৰ.-ত লাভ কৰা গড় নম্বৰত উপনীত হ'ব।
>
> ২. এনে গড় চিহ্ন তাৰ পিছত নিকটতম decimal(দশমিক)লৈ ঘূৰাই দিয়া হ'ব।
>
> ৩. অৱশ্যে, যদি প্ৰাৰ্থীসকলে একে গ্ৰেড লাভ কৰে, জ্যেষ্ঠতা অনুসৰি ৰেংকিং কৰা হ'ব।
>
> নিয়মাৱলী ৪০(২)ৰ বৰ্তমানৰ ব্যৱস্থাটো তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ ওপৰত উল্লেখ কৰা অনুসৰি সংশোধন কৰা হৈছে।"

কাৰ্যবাহী অভিযন্তা পদৰ ১০টা খালী পদ পূৰণৰ বাবে, বিভাগীয় পদোন্নতি সমিতি (ডি.পি.সি.) গঠন কৰা হৈছিল, যাৰ বিভাজন তলত দিয়া ধৰণৰঃ কাৰ্যবাহী অভিযন্তাৰ ৩টা পদ, ২টা প্ৰত্যাশিত খালী পদ, কাৰ্যবাহী অভিযন্তাৰ ৩টা পদ অধীক্ষক অভিযন্তা পদলৈ পদোন্নতি দিয়া হ'ব, যাৰ ফলত আৰু ৩টা খালী পদ সৃষ্টি হ'ব।

মুঠ ২৮জন যোগ্য প্ৰাৰ্থী আছিল। নিয়মাৱলী অনুসৰি খালী পদৰ তিনিগুণ, অৰ্থাৎ ৩০জন প্ৰাৰ্থীক বিবেচনা কৰিব লগা হৈছিল, তেওঁলোক সকলোৰে বিষয় ডি.পি.চি.য়ে বিবেচনা কৰিছিল। উত্তৰদাতা নং ১- ৮ তেওঁলোকৰ মাজৰে। বিভাগীয় পদোন্নতি সমিতিৰ পৰামৰ্শৰ ভিত্তিত ১৫-০১-২০০৩-ত পদোন্নতিৰ আদেশ জাৰি কৰা হৈছিল। উত্তৰদাতা নং ১- ৩ কিন্তু, ইয়াৰ দ্বাৰা আক্ৰান্ত আৰু অসন্তুষ্ট হৈ গৌহাটী উচ্চ ন্যায়ালয়, শ্বিলং পীঠত এখন লেখ আবেদন দাখিল কৰিছিল, য'ত নিম্নোক্ত অনুৰোধ কৰা হৈছিলঃ

> "নতুন মেঘালয় ৰাজ্যিক বিদ্যুৎ পৰিষদ (সেৱা) নিয়মাৱলী, ১৯৯৬ৰ ৭অক্টোবৰ, ১৯৯৭, ২০নৱেম্বৰ, ১৯৯৮ আৰু ১২নৱেম্বৰ, ১৯৯৯ তাৰিখৰ (সংলগ্নি XII, XIV আৰু XV) কাৰ্যালয় স্মাৰক পত্ৰৰ অধীনত প্ৰেৰণ কৰা পৰৱৰ্তী সংশোধনীসমূহ, গেজেট এ.পি.এ.আৰ. ফৰমেট (সংলগ্নি XII), ১৫-০১-২০০৩তাৰিখৰ বিচাৰাধীন পদোন্নতিৰ তালিকা, ডি.পি.চি.-ৰ কাৰ্য্যকলাপ আৰু পৰামৰ্শ, ১৯৯৭চনৰ পৰা এ.পি.এ.আৰ. ফৰ্মেটত আৰম্ভ হোৱা আবেদনকাৰীসকলৰ গোপনীয় প্ৰতিবেদন, যদি থাকে, এইবোৰ আঁতৰাই ৰাখিব নালাগে আৰু বাতিল কৰিব নালাগে আৰু আপীলকাৰীসকলক পুৰণি এ. এছ. ই. বি. (সাধাৰণ) নিয়মাৱলী, ১৯৯৬ (সংযুক্তি I), এ. এছ. ই. বি. অভিযান্ত্ৰিক সেৱা নিয়মাৱলী, ১৯৭৩-ৰ দ্বাৰা কিয় নিয়ন্ত্ৰণ কৰিব নালাগে সেই বিষয়ত, সংযুক্তি IV আৰু Vৰ জৰিয়তে।"

উচ্চ ন্যায়ালয়ৰ এজন বিদ্বান একক ন্যায়াধীশই ১৮-০৩-২০০৫তাৰিখৰ এক ৰায় আৰু নিৰ্দেশৰ জৰিয়তে উক্ত লেখ আবেদনখন নাকচ কৰি মতপ্ৰকাশ কৰিছিল যে, বৰ্ডৰ দ্বাৰা জাৰী কৰা পদোন্নতিৰ নিৰ্দেশ কেৱল ২০০০- ২০০১বছৰত কোনো ডি. পি. চি অনুষ্ঠিত হোৱা নাছিল কাৰণ, খালী পদবোৰ কেৱল ২০০২চনতহে উদ্ভৱ হৈছিল। এইটো লক্ষ্য কৰা হৈছিলঃ

> "যিহেতু ২০০০- ২০০১বৰ্ষত উদ্ভৱ হোৱা খালী পদৰ সংখ্যাৰ সন্দৰ্ভত আবেদনকাৰীসকলে কোনো বিবৃতি দিয়া নাছিল, সেয়েহে উত্তৰদাতাৰ এই যুক্তি হ'ল যে, ২০০২চনৰ ডিচেম্বৰলৈকে কাৰ্যবাহী অভিযন্তা (চিভিল)ৰ সাতটা খালী পদ আছিল আৰু পদোন্নতিত তিনিটা খালী পদ আছিল- এই যুক্তি গ্ৰহণ কৰিব লাগিব।"

তদুপৰি এই অভিমত ব্যক্ত কৰা হৈছিল যে, সংশোধিত নিয়ম অনুসৰি প্ৰাৰ্থীসকলৰ বাছনি বিভাগীয় পদোন্নতি সমিতিৰ আগত তেওঁলোকৰ নাম ৰখাৰ নিয়মাৱলী ১৯৪৮চনৰ আইনৰ ব্যৱস্থাৰ বিৰুদ্ধে নাছিল আৰু সেয়েহে, ডি. পি. চি.-ৰ গঠন আৰু এই অনুসৰি কৰা বাছনি অবৈধ নাছিল। ইয়াৰ বিৰুদ্ধে পুনৰ আদালতৰ ভিতৰত আবেদন দাখিল কৰা হৈছিল। অৱশ্যে, খণ্ড বিচাৰপীঠে ১৯-০৫-২০০৫ তাৰিখৰ বিচাৰাধীন ৰায়ৰ দ্বাৰা, এখন তালিকাৰ জীৱনকাল এবছৰৰ বাবে বৈধ বুলি লক্ষ্য কৰি মতপ্ৰকাশ কৰিছেঃ

> "উল্লেখ কৰা হৈছে যে, আবেদনকাৰীসকল ২০০০চনত পদোন্নতিৰ বাবে যোগ্য আৰু অৰ্হতাসম্পন্ন আছিল আৰু জ্যেষ্ঠতা তালিকাখনে দেখুৱাব যে, তেওঁলোকৰ নাম ২, ৩, ৪, ৫, ৬, ১০, আৰু ২২ ধাৰাবাহিকতাত আছিল, আনহাতে ব্যক্তিগত উত্তৰদাতাসকলৰ নাম ১, ১২, ১৫, ১৬, ২১, ২৩, ২৫, ২৮, ২৯ আৰু ৩০-এই ধাৰাবাহিকতাত আছিল, কিন্তু উত্তৰদাতা পৰিষদে ২০০০চনত নিয়মাৱলীৰ অধীনত প্ৰয়োজনীয় পেনেল প্ৰস্তুত কৰা নাছিল আৰু পৰৱৰ্তী বৰ্ষত উচ্চ শ্ৰেণী পদোন্নতিৰ বাবে যোগ্য প্ৰাৰ্থী বাছনিৰ বাবে কোনো ডি.পি.চি. গঠন কৰা হোৱা নাছিল। উত্তৰদাতা পৰিষদে ২০০১ চনত তালিকা প্ৰস্তুত কৰি ডি.পি.চি.-ৰ আগত ৰখাৰ কোনো প্ৰয়াস কৰা নাছিল আৰু ইয়াৰ ফলস্বৰূপে, খালী পদবোৰ জমা হৈছিল আৰু ডি.পি.চি. গঠন কৰা হৈছিল আৰু ১৩-১২-২০০২ত অনুষ্ঠিত কৰা হৈছিল আৰু তেওঁলোকৰ পৰামৰ্শ অনুসৰি, ব্যক্তিগত উত্তৰদাতাসকলক ১৫-০১-২০০৩তাৰিখৰ নিৰ্দেশৰ জৰিয়তে পদোন্নতি দিয়া হৈছিল, যাক উচ্চতম ন্যায়ালয় আৰু এই আদালতৰ দ্বাৰা নিৰ্ধাৰিত সিদ্ধান্ত আৰু আইনৰ প্ৰতি লক্ষ্য ৰাখি সমৰ্থন কৰিব নোৱাৰি।"

আমাৰ বিবেচনাৰ বাবে উত্থাপন হোৱা একমাত্ৰ প্ৰশ্নটো হ'ল- ব'ৰ্ডে ২০০০- ২০০১ বছৰৰ ভিতৰত বিভাগীয় পদোন্নতি সমিতি গঠন কৰিবলৈ বাধ্য আছিল নেকি, কেৱল ইয়াৰ বাবে উত্তৰদাতা নম্বৰ **১**ৰ পৰা ৮লৈ পদোন্নতিৰ বাবে যোগ্য হৈ পৰিছিল। নিৰ্বাচিত হোৱা প্ৰাৰ্থীসকলৰ সৈতে উত্তৰদাতাসকলৰ জ্যেষ্ঠতা তালিকা বিতৰ্কত নাই। তদুপৰি এইটো বিতৰ্কৰ বিষয় নহয় যে ডি.পি.চি.-ৰ দ্বাৰা বিবেচনা কৰা ২৮জন প্ৰাৰ্থীৰ সকলোৱেই যোগ্য আছিল। তেওঁলোকে **১৯৯৮**চনত নিয়মাৱলীত উল্লেখ কৰা অনুসৰি ন্যূনতম যোগ্যতাৰ মাপকাঠি লাভ কৰিছিল।

আমি ইয়াত আগতে লক্ষ্য কৰিছো যে, বিদ্বান ন্যায়াধীশ সিং-এ ২০০২চনত খালী পদৰ সৃষ্টি হোৱাৰ তথ্যত উপনীত হৈছিল। যদি ২০০২চনত খালী পদৰ সৃষ্টি হৈছিল, তেন্তে ডি.পি.চি. কেৱল সেই বছৰতে পুনৰ সংগঠিত কৰাৰ প্ৰয়োজন আছিল। কেৱল প্ৰতি বছৰে এটা বিভাগীয় পদোন্নতি সমিতি আহ্বান কৰাৰ ব্যৱস্থা থকাৰ বাবে, ইয়াৰ অৰ্থ এইটো নহয় যে কোনো খালী পদ সৃষ্টি হৈছিল নে নাই সেই তথ্য নিৰ্বিশেষে ইয়াক আহ্বান কৰাৰ প্ৰয়োজন আছিল।

এইটো হ'ব পাৰে যে, বিদ্যমান নিয়মাৱলীৰ ক্ষেত্ৰত এখন পেনেল গঠন কৰাৰ প্ৰয়োজন আছিল, কিন্তু আমাৰ মতে, সেই একেই, তাৎক্ষণিক ক্ষেত্ৰত প্ৰযোজ্য নহ'ব কিয়নো ২০০০চনত কোনো খালী ঠাই উদ্ভৱ হোৱা নাছিল। খণ্ড বিচাৰপীঠে আমাৰ মতে, খালী পদবোৰ উদ্ভৱ হোৱা বছৰৰ সন্দৰ্ভত ইয়াৰ দ্বাৰা পোৱা তথ্যৰ সিদ্ধান্ত ভুল আছিল বুলি সিদ্ধান্তত উপনীত নোহোৱাকৈ বিদ্বান একক ন্যায়াধীশৰ ৰায়দানত হস্তক্ষেপ কৰিব নোৱাৰিলেহেঁতেন।

উপৰোক্ত কাৰণবোৰৰ বাবে, বিতৰ্কিত ৰায়টো বহন কৰিব নোৱাৰি, যিটো সেই অনুসৰি আঁতৰাই ৰখা হয়। আপীলৰ অনুমতি দিয়া হয়। অৱশ্যে, যিহেতু উত্তৰদাতাসকলক আমাৰ সন্মুখত প্ৰতিনিধিত্ব কৰা হোৱা নাই, গতিকে খৰচৰ সন্দৰ্ভত কোনো নিৰ্দেশ নাথাকিব।

আৰ. পি.

আপীলৰ অনুমতি দিয়া হৈছে।

..........................................................................

অনুবাদ: ড. অৰ্চ্চনা দেৱী, কনিষ্ঠবৰ্গ অনুবাদক,অনুবাদ শাখা,গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ’ব।”

..................